**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-08-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। ভাৰত আৰু জাপানৰ পঞ্চদশ বাৰ্ষিক সন্মিলনত ভাগ লোৱাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি বিয়লি জাপানলৈ বুলি ৰাওনা হ'ব।

২। এন ডি এৰ পঞ্চায়ত সন্মিলন আৰু প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাপ বৰবৰাৰ জন্ম শতবৰ্ষৰ কাৰ্যসূচীত অংশ লোৱাৰ বাবে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি অসমলৈ আহিব।

৩। প্ৰধানমন্ত্ৰী জন ধন যোজনাই আজি ১১ বছৰ সম্পূৰ্ণ কৰিছে।

৪। ভাৰতত থকা আমেৰিকা যুক্তৰাষ্ট্ৰৰ দূতাবাসৰ প্ৰাক্তন মুৰব্বী ড'নাল্ড হেফলিনে ৱাশ্বিংটনৰ অপ্ৰত্যাশিত কূটনৈতিক দৃষ্টিভংগীয়ে নতুন দিল্লীৰ সৈতে বাণিজ্য চুক্তি সম্পাদনৰ ক্ষেত্ৰত জটিলতাৰ সৃষ্টি কৰিছে বুলি সকিয়াই দিছে।

আৰু

৫। ভাৰতৰ গ্ৰেণ্ড মাষ্টাৰ আৰ প্ৰজ্ঞানন্দাই গ্ৰেণ্ড টুৰ দবা প্ৰতিযোগিতাৰ অন্তিম চাৰিগৰাকী খেলুৱৈৰ মাজত স্থান নিশ্চিত কৰিছে।

০০০০০০০

ভাৰত আৰু জাপানৰ পঞ্চদশ বাৰ্ষিক সন্মিলনত ভাগ লোৱাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি বিয়লি জাপানলৈ বুলি ৰাওনা হ'ব। এয়া হ'ব শ্ৰীমোদীৰ অষ্টম জাপান ভ্ৰমণ। জাপানৰ প্ৰধানমন্ত্ৰী হিচাপে চিগেৰু ইশ্বিবাই কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত শ্ৰী মোদীয়ে প্ৰথমবাৰৰ বাবে এই বাৰ্ষিক সন্মিলনত ভাগ ল'ব। প্ৰধানমন্ত্ৰীৰ জাপান ভ্ৰমণ সন্দৰ্ভত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিৰ জৰিয়তে কয়, যে দুয়োগৰাকী প্ৰধানমন্ত্ৰীয়ে ভাৰত আৰু জাপানৰ বিশেষ কৌশলগত তথা গোলকীয় সহযোগিতাৰ পৰ্যালোচনা কৰিব। নেতা দুয়োগৰাকীয়ে প্ৰতিৰক্ষা আৰু নিৰাপত্তা, বাণিজ্য আৰু অৰ্থনীতি, প্ৰযুক্তি আৰু উদ্ভাৱন আৰু দেশ দুখনৰ জনসাধাৰণৰ মাজৰ সম্পৰ্কৰো পৰ্যালোচনা কৰিব বুলি বিবৃতিটোত প্ৰকাশ কৰা হৈছে। ভ্ৰমণকালত শ্ৰীমোদীয়ে জাপানৰ প্ৰধানমন্ত্ৰীগৰাকীৰ সৈতে আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিভিন্ন বিষয় সন্দৰ্ভতো আলোচনাত মিলিত হ'ব। এই ভ্ৰমণে দুয়োখন দেশৰ মাজত থকা দীৰ্ঘদিনীয়া বন্ধুত্বৰ বান্ধোনক পুনৰ সুদৃঢ় কৰিব বুলি আশা কৰা হৈছে।

ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত শ্ৰীমোদী চীনৰ প্ৰধানমন্ত্ৰী শ্বি জিনপিঙৰ আমন্ত্ৰণমৰ্মে টিয়ানজিনত ৩১ আগষ্ট আৰু পহিলা ছেপ্তেম্বৰত হ'বলগীয়া ছাংহাই সহযোগিতা সংস্থাৰ সন্মিলনত ভাগ ল'বলৈ চীনলৈ ৰাওনা হ'ব। এই সন্মিলনৰ আপাহতে শ্ৰীমোদীয়ে সন্মিলনত অংশগ্ৰহণ কৰা বিভিন্ন নেতাৰ সৈতে দ্বিপাক্ষিক বৈঠকত অংশ ল'ব। উল্লেখযোগ্য যে ২০১৭ চনৰ পৰা ভাৰত ছাংহাই সহযোগিতা সংস্থাৰ সদস্য ৰাষ্ট্ৰ হিচাপে আছে।

প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণে উভয় দেশৰ মাজত থকা সহযোগিতাৰ নতুন দুৱাৰ মুকলি কৰিব বুলি জাপানত থকা ভাৰতীয় ৰাষ্ট্ৰদূত চি বি জৰ্জে মন্তব্য কৰে।

০০০০০০০০০

এন ডি এৰ পঞ্চায়ত সন্মিলন আৰু প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাপ বৰবৰাৰ জন্ম শতবৰ্ষৰ কাৰ্যসূচীত অংশ লোৱাৰ বাবে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি অসমলৈ আহিব। গৃহমন্ত্ৰীগৰাকীয়ে গুৱাহাটীৰ খানাপাৰাত আয়োজিত এন ডি এৰ পঞ্চায়ত সন্মিলন আৰু প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীৰ জন্ম শতবাৰ্ষিকীৰ বছৰজোৰা কাৰ্যসূচী শুভাৰম্ভ কৰিব। শ্ৰীশ্বাহে কাইলৈ খানাপাৰা খেলপথাৰত হ'বলগীয়া পঞ্চায়ত প্ৰতিনিধি সন্মিলনৰ পৰাই ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ কুচকাৱাজ আৰম্ভ কৰিব বুলি ৰাজ্যিক বিজেপিৰ সাধাৰণ সম্পাদক পল্লৱ লোচন দাসে ঘোষণা কৰিছে। এই সন্মিলনত বিজেপি, অসম গণ পৰিষদ, ৰাভা হাছং যৌথ সংগ্ৰাম সমিতি আৰু জনশক্তিকে ধৰি এন ডি এৰ সকলো শীৰ্ষ নেতা উপস্থিত থাকিব। প্ৰায় ২০ হাজাৰ নিৰ্বাচিত জনপ্ৰতিনিধি এই সন্মিলনত উপস্থিত থকাৰ

কথা। তদুপৰি কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদ, ডিমা হাছাওকে ধৰি পৰিষদসমূহৰ নিৰ্বাচিত প্ৰতিনিধিসকলো এই অনুষ্ঠানত উপস্থিত থাকিব। সন্মিলনৰ পূৰ্বে শ্ৰী শ্বাহে অসম ৰাজভৱনৰ নতুন গৃহ উদ্বোধন কৰিব। ইয়াৰ পাছতে গৃহমন্ত্ৰীগৰাকীয়ে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাপ বৰবৰাৰ জন্ম শতবৰ্ষৰ উদ্বোধনী কাৰ্যসূচীত অংশ ল'ব।

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীৰ সমাগত অসম ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত কালি মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই প্ৰস্তুতিৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে নতুন ৰাজভৱন পৰিদৰ্শন কৰি প্ৰস্তুতিৰ বিভিন্ন দিশসমূহ প্ৰত্যক্ষ কৰে। তেওঁ সংশ্লিষ্ট বিষয়াসকলক যাৱতীয় কামসমূহ নিয়াৰিকৈ সমাপন কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০০০০

প্ৰধানমন্ত্ৰী জন ধন যোজনাই আজি ১১ বছৰ সম্পূৰ্ণ কৰিছে। ২০১৪ চনৰ ১৫ আগষ্টত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঘোষণা কৰা এই যোজনা বিশ্বৰ সৰ্ববৃহৎ বিত্তীয় উদ্যম হিচাপে পৰিচিত হৈছে। সেই বছৰৰেই ২৪ আগষ্টত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই যোজনাৰ শুভাৰম্ভ কৰিছিল।

ৰাষ্ট্ৰীয় পৰ্যায়ৰ এই অভিযানৰ মাধ্যমেৰে দুখীয়া লোকসকলক বিত্তীয় সাহায্যৰ লগতে প্ৰতিটো পৰিয়াললৈ বেংকিং সেৱাৰ সুবিধা প্ৰদানৰ দিহা কৰা হৈছে। এই যোজনাৰ অধীনত বেংক একাউণ্টৰ উপৰি প্ৰয়োজন সাপেক্ষে ঋণৰ সুবিধা, বীমা আৰু পেঞ্চনৰ সুবিধা আদিৰ নিশ্চিতি প্ৰদান কৰা হয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমৰ এটা পোষ্টত আজি কয়, যে এই আঁচনিখনে বিত্তীয় ব্যৱস্থাত অন্তৰ্ভুক্তিৰ পৰা সৰলীকৰণলৈকে সকলো ক্ষেত্ৰত দেশত আমোল পৰিৱৰ্তনৰ সূচনা কৰিছে। তেওঁ কয়, যে সমাজৰ একেবাৰে শেষৰজন ব্যক্তি বিত্তীয় ব্যৱস্থাৰে সংযুক্ত হ'লেহে সমগ্ৰ ৰাষ্ট্ৰ আগবাঢ়িব। তেওঁ লগতে জন ধন যোজনাৰ মাধ্যমেৰে এই লক্ষ্য পূৰণ হোৱা বুলি মন্তব্য কৰে। শ্ৰী মোদীয়ে কয়, যে এই আঁচনিখনে জনসাধাৰণৰ মৰ্যাদা বৃদ্ধি কৰিছে আৰু তেওঁলোকক নিজৰ ভাগ্য নিজেই লিখাৰ সুযোগ প্ৰদান কৰিছে।

প্ৰধানমন্ত্ৰী জন ধন যোজনাৰ ১১ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কয়, যে আঁচনিখন পোনপটীয়া লাভ হস্তান্তৰ ব্যৱস্থাৰে বিভিন্ন আঁচনিৰ অধীনত জনসাধাৰণলৈ উপকাৰ প্ৰদানৰ গুৰুত্বপূৰ্ণ মাধ্যমৰূপে পৰিগণিত হৈছে। তেওঁ কয়, যে যোৱা ১১ বছৰত ৫৬ কোটিৰো অধিক জন-ধন একাউণ্ট খোলা হৈছে আৰু এই একাউণ্টসমূহত ২ লাখ ৬৮ হাজাৰ কোটি টকা জমা হৈ আছে। ডিজিটেল লেনদেনৰ পথ প্ৰশস্ত কৰি ৩৮ কোটিৰো অধিক বিনামূলীয়া ৰূপে কাৰ্ড জাৰি কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শ্ৰীমতী সীতাৰমনে কয়, যে প্ৰধানমন্ত্ৰী জন ধন যোজনাৰ অধীনত খোলা একাউণ্টসমূহৰ ৬৭ শতাংশই গ্ৰামাঞ্চলৰ আৰু উপ-নগৰী অঞ্চলৰ।

০০০০০০০০০

ভাৰতত থকা আমেৰিকা যুক্তৰাষ্ট্ৰৰ দূতাবাসৰ প্ৰাক্তন মুৰব্বী ড'নাল্ড হেফলিনে ৱাশ্বিংটনৰ অপ্ৰত্যাশিত কূটনৈতিক দৃষ্টিভংগীয়ে নতুন দিল্লীৰ সৈতে বাণিজ্য চুক্তি সম্পাদনৰ ক্ষেত্ৰত জটিলতাৰ সৃষ্টি কৰিছে বুলি সতৰ্ক কৰি দিছে। শ্ৰী হেফলিনে কয়, যে ৱাশ্বিংটনত পৰম্পৰাগত নীতি আৰু কূটনীতিৰ প্ৰক্ৰিয়া ভংগ হৈছে। তেওঁ লগতে কয়, যে বিগত ৮ মাহত ভালেসংখ্যক কূটনীতিবিদক বৰ্খাস্ত কৰা হৈছে অথবা তেওঁলোকে নিজেই ইস্তফা দিছে বা অৱসৰ লৈছে। এতিয়াও যিসকল কূটনীতিবিদ কামত জড়িত হৈ আছে, তেওঁলোকে এই কথা বুজি পাইছে যে তেওঁলোকে কোনোধৰণৰ অজনপ্ৰিয় মতামত আগবঢ়াব নোৱাৰে। অৱশ্যে ভাৰতৰ পৰৱৰ্তী আমেৰিকাৰ ৰাষ্ট্ৰদূত হিচাপে ছাৰ্জিঅ' গ'ৰে দায়িত্বভাৰ গ্ৰহণৰ শেহতীয়া ঘোষণাক লৈ শ্ৰী হেফলিন কিছু পৰিমাণে আশাবাদী বুলি প্ৰকাশ কৰে। ভাৰত-প্ৰশান্ত মহাসাগৰীয় খণ্ডত আমেৰিকা যুক্তৰাষ্ট্ৰৰ নীতিৰ সাল-সলনি সন্দৰ্ভত হেফলিনে কয়, যে চীনৰ সৈতে অৰ্থনৈতিক ব্যৱস্থাৰ বিষয়ত পুনৰ আলোচনাই ভাৰতকে ধৰি এই খণ্ডৰ অন্যান্য ৰাষ্ট্ৰসমূহৰ সৈতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ সম্পৰ্কত প্ৰভাৱ পেলাইছে।

০০০০০০০০০

চৰকাৰে কেঁচা কপাহৰ ওপৰত আৰোপিত আমদানি শুল্ক ৰেহাইৰ  ম্যাদ অহা ৩০ ছেপ্তেম্বৰৰ পৰা ৩১ ডিচেম্বৰলৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। বিত্ত মন্ত্ৰালয়ে এটা বিবৃতিযোগে কৈছে যে দেশৰ বস্ত্ৰ খণ্ডৰ বাবে কপাহৰ উপলভ্যতা সুনিশ্চিত কৰাৰ উদ্দেশ্যে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ইয়াৰ পূৰ্বে চৰকাৰে ১৯ আগষ্টৰ পৰা ৩০ ছেপ্তেম্বৰলৈ কপাহৰ ওপৰত আৰোপিত আমদানি শুল্ক সাময়িকভাৱে ৰেহাই দিয়াৰ কথা ঘোষণা কৰিছিল।

০০০০০০০০০

ত্ৰিপুৰা ৰাজ্যিক বিদ্যুৎ নিগমে ২৭১ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰে'লপথৰ ১০০ শতাংশ বৈদ্যুতিকীকৰণ সম্পূৰ্ণ কৰিছে। উত্তৰ-পূব সীমান্ত ৰে'লৱেই এই কাম সম্পূৰ্ণ কৰিছে। ত্ৰিপুৰাত ৰাষ্ট্ৰীয় ৰে'ল গ্ৰীডৰ সৈতে বৈদ্যুতিক ৰে'লগাড়ীৰে সংযুক্ত কৰাৰ উদ্দেশ্যে ২০২২ চনত ৪৬ কোটি টকা ব্যয়েৰে বৈদ্যুতিকীকৰণৰ এই প্ৰকল্প আৰম্ভ কৰা হৈছিল। অসমৰ বদৰপুৰ ষ্টেচন আৰু ত্ৰিপুৰাৰ জিৰানিয়া ষ্টেচনৰ মাজত বৈদ্যুতিক ইঞ্জিনচালিত প্ৰথমখন মালগাড়ীৰ পৰীক্ষামূলক চলাচল ইতিমধ্যে সম্পন্ন কৰা হৈছে। ইয়াৰ পাছত আগৰতলা আৰু অসমৰ অৰুণাচল জংচনৰ মাজত বিদ্যুৎচালিত যাত্ৰীবাহী ৰে'লৰ পৰীক্ষামূলক যাত্ৰা সম্পন্ন কৰা হৈছে।

০০০০০০০

জম্মু-কাশ্মীৰৰ উধমপুৰ-ৰামবান অঞ্চলত প্ৰবল বৰষুণৰ ফলত বিভিন্ন ঠাইত হোৱা ভূমিস্খলনৰ বাবে আজি তৃতীয়দিনাও জম্মু-শ্ৰীনগৰ ৰাষ্ট্ৰীয় ঘাইপথ বন্ধ হৈ আছে। আকাশবাণী জম্মুৰ সংবাদদাতাই জনোৱা মতে ৪৪ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ বন্ধ হৈ থকাৰ ফলত বিভিন্ন ঠাইত ৬০০ ৰো অধিক বাহন আৱদ্ধ হৈ পৰিছে। উধমপুৰ জিলাৰ জাখেনি আৰু চেনানিৰ মাজৰ বিভিন্ন অংশত ভূমিস্খলনৰ ফলত কাশ্মীৰ উপত্যকাক দেশৰ অন্যান্য প্ৰান্তৰ সৈতে সংযোগ কৰা ২৫০ কিলোমিটাৰ দৈৰ্ঘ্যৰ একমাত্ৰ পথছোৱা বন্ধ হৈ পৰে। ইয়াৰ ফলত জম্মুৰ নাগ্ৰ'তাৰ পৰা ৰিয়েচি, চেনানি, পত্নিটোপ, দ'দা, ৰামবান, বাণিহাল আৰু শ্ৰীনগৰলৈ সকলো যাতায়াত বন্ধ কৰি দিয়া হৈছে। সীমান্ত পথ সংস্থাই পথটো মুকলি কৰাৰ বাবে যুদ্ধকালীন ক্ষিপ্ৰতাৰে কাম কৰি আছে।

০০০০০০০০০

ভাৰতৰ গ্ৰেণ্ড মাষ্টাৰ আৰ প্ৰজ্ঞানন্দাই গ্ৰেণ্ড টুৰ দবা প্ৰতিযোগিতাৰ অন্তিম চাৰিগৰাকী খেলুৱৈৰ মাজত স্থান নিশ্চিত কৰিছে। প্ৰজ্ঞানন্দাই ছিংকফিল্ড কাপ প্ৰতিযোগিতাত ৰাণাৰ্ছআপৰ খিতাপ লাভ কৰি গ্ৰেণ্ড টুৰ দবা প্ৰতিযোগিতাৰ খিতাপৰ দৌৰত বৰ্তি থাকিবলৈ সমৰ্থ হৈছে। আমেৰিকাৰ ৱেল্‌চি ছ'ৱে ছিংকফিল্ড কাপ প্ৰতিযোগিতাৰ খিতাপ অৰ্জন কৰে। ৱেলচিয়ে নৱম তথা অন্তিম ৰাউণ্ডত উজবেকিস্তানৰ নদীৰবেক অব্দুছত্তোৰ'ভক পৰাভূত কৰে। প্ৰজ্ঞানন্দা আৰু ফেবিয়ানো কাৰুৱানাৰ মাজৰ খেলখন ড্ৰ' হয়। প্ৰজ্ঞানন্দাই আমেৰিকাৰ লেৱ'ন অৰোনিয়নৰ সৈতে খেলা খেলখনো ড্ৰ' হয়। খেলুৱৈগৰাকীয়ে অৱশ্যে কাৰুৱানাক পৰাভূত কৰে। কাৰুৱানাই একমাত্ৰ  ছ'ৰ বিৰুদ্ধে খেলা খেলখন ট্ৰাইব্ৰেকাৰত অমীমাংসিতভাৱে সমাপ্ত হয়।

০০০০০০০০০

সমাপ্ত